অসম চৰকাৰ
জিলা আয়ুক্তৰ কাৰ্যালয়:: শিৱসাগৰ
(তৌজি নবিচ শাখা)

নং: এচ.ভি.আৰ.চি./টি.এন./০২/আঠখেলমৌজা/২০২৬/ দিনাংক: ৩০/০৯/২০২৬

# বিজ্ঞাপন

শিৱসাগৰ জিলাৰ নাজিৰা সম-জিলাৰ অধীনস্থ নাজিৰা ৰাজহ চক্ৰৰ অন্তৰ্গত আঠখেল মৌজাৰ মৌজাদাৰগৰাকীৰ মৃত্যু হোৱাত মৌজাদাৰৰ পদটো খালী হৈছে। উক্ত খালী পদৰ বাবে ইচ্ছুক আৰু যোগ্য প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচৰা হৈছে। ইচ্ছুক প্ৰাৰ্থীগৰাকী ভাৰতীয় নাগৰিক তথা অসমৰ স্থায়ী বাসিন্দা হোৱাৰ লগতে আঠখেল মৌজাৰ অন্তৰ্গত এলেকাত স্থায়ী সম্পত্তিৰ গৰাকী হ'ব লাগিব। প্ৰাৰ্থীগৰাকী আৰ্থিকভাৱে স্বচ্ছল হোৱাটো বাঞ্ছনীয়, কিয়নো মৌজাৰ সাধনী তথা বকেয়া ৰাজহৰ জামিন হিচাপে নিৰ্ধাৰিত পৰিমাণৰ স্থাৱৰ সম্পত্তি আৰু নগদ ধন জামিন হিচাপে আগবঢ়াব লাগিব। আঠখেল মৌজাৰ স্থানীয় বাসিন্দাসকলৰ মাজৰ যিসকল প্ৰাৰ্থীয়ে নিৰ্ধাৰিত স্থাৱৰ সম্পত্তি আৰু নগদ ধনৰ জামিন প্ৰদান কৰিবলৈ সক্ষম, তেনে প্ৰাৰ্থীকহে মৌজাদাৰ পদৰ বাবে বিবেচনা কৰা হ'ব। তদুপৰি, মৌজা পৰিচালনাৰ পূৰ্ব অভিজ্ঞতা থকা প্ৰাৰ্থীক উক্ত পদৰ বাবে অগ্ৰাধিকাৰ দিয়া হ'ব। মনোনীত প্ৰাৰ্থীজনে চলিত বছৰৰ ৰাজহ সংগ্ৰহ কৰাৰ উপৰিও <u>২০২২-২৩, ২০২৩-২৪ আৰু ২০২৪-২৫</u> ৰাজহ বৰ্ষৰ বাকী পৰি থকা ৰাজহ সংগ্ৰহৰ সম্পূৰ্ণ দায়িত্ব লব লাগিব।

আবেদনকাৰীয়ে স্থানীয় দুগৰাকী মুখীয়াল ব্যক্তিৰ পৰা সংগ্ৰহ কৰা চৰিত্ৰৰ প্ৰমাণ পত্ৰসহ তলত উল্লেখ কৰা বিৱৰণী আৰু প্ৰয়োজনীয় নথি-পত্ৰ সংলগ্ন কৰি ইংৰাজী ৩০/১০/২০২৬ তাৰিখে অথবা তাৰ পূৰ্বে নিম্নস্বাক্ষৰকাৰীৰ ওচৰত আবেদন দাখিল কৰিব লাগিব। নিৰ্ধাৰিত বিৱৰণী আৰু প্ৰয়োজনীয় প্ৰমাণ-পত্ৰসমূহ যথাযথভাৱে দাখিল নকৰিলে আবেদনখন নাকচ কৰা হ'ব।

১) প্ৰাৰ্থীৰ নাম আৰু সম্পূৰ্ণ ঠিকনাঃ
২) পিতাৰ নামঃ
৩) বয়সঃ
৪) জাতি/ ধৰ্মঃ
৫) বৰ্তমান পেচাঃ
৬) শিক্ষাগত অৰ্হতাঃ মৌজা পৰিচালনা কৰাৰ বাবে মেট্ৰিক বা তাতোতকৈ উচ্চ শিক্ষাগত অৰ্হতা থকা অভিজ্ঞ প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হ'ব।
৭) মৌজা পৰিচালনাৰ বিষয়ত পূৰ্বৰ অভিজ্ঞতা আছে নেকি ? যদি আছে প্ৰমাণ পত্ৰ গাঁঠি দিব।
৮) সামাজিক অৱস্থা আৰু স্থানীয় লোকৰ লগত থকা সম্বন্ধঃ ৰাইজৰ মতামত সম্পৰ্কীয় প্ৰমাণ পত্ৰ/প্ৰস্তাৱ আদি লগত দিব।
৯) জাতিৰ প্ৰমাণ পত্ৰঃ
১০) আৰ্থিক স্বচ্ছলতাৰ প্ৰমাণ পত্ৰঃ (কৰ্তৃত্বশীল বিষয়াৰ পৰা সংগ্ৰহ কৰা হ'ব লাগিব৷)
১১) মৌজাদাৰৰ কাৰ্যালয় স্থাপনৰ বাবে মৌজাৰ অন্তৰ্গত এলেকাত আৱশ্যকীয় আন্তঃগাঁথনি আছেনে? যদি আছে সবিশেষ দাখিল কৰিব।

এই বিজ্ঞাপন "অসম ভুমি আৰু ৰাজহ অধিনিয়ম ১৮৮৬"ৰ কাৰ্যকৰী নিৰ্দেশৰ ১১৫ নিয়মৰ ধাৰা অনুসৰি কৰা হৈছে।

প্ৰাৰ্থীসকলে সাক্ষাৎকাৰৰ বাবে আহোতে কোনো ভ্ৰমণ বানচ/ ভাট্টা দিয়া নহ'ব।

**<u>আবেদনপত্ৰ দাখিল কৰাৰ স্থান:</u>**
কাৰ্যালয় কক্ষ, তৌজি নবিচ (ৰাজহ) শাখা,
জিলা আয়ুক্তৰ কাৰ্যালয়, শিৱসাগৰ।

Digitally signed by
MRIDUL YADAV
Date: 07-10-2026
17:48:14
জিলা আয়ুক্ত
শিৱসাগৰ

স্মাৰ নং: এচ.ভি.আৰ.চি./টি.এন./০২/আঠখেলমৌজা/২০২৬/ (ক) দিনাংক: ৩০/০৯/২০২৬